অসম

আজিৰে পৰা আৰম্ভ ৭১সংখ্যক বৰদলৈ ট্ৰফীৰ ক্লাষ্টাৰ ৰাউণ্ড

বুধবাৰৰ পৰা শিৱসাগৰ, তেজপুৰ, গোলাঘাট, বৰপেটা, শিলচৰ আৰু সোণকুছিত ক্লাষ্টাৰ ৰাউণ্ড অনুষ্ঠিত হ'ব। ১২টা দলে গুৱাহাটীৰ চূড়ান্ত ৰাউণ্ডলৈ যোগ্যতা লাভ কৰিব।

প্ৰকাশ: ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৪



Bordoloi Trophy (NewzNow)

গুৱাহাটী, ১১ নৱেম্বৰ: অসমৰ ঐতিহ্যবাহী ফুটবল প্ৰতিযোগিতা ৭১সংখ্যক বৰদলৈ ট্ৰফীৰ ক্লাষ্টাৰ ৰাউণ্ড বুধবাৰৰ পৰা ৰাজ্যৰ ছটা স্থানত আৰম্ভ হ'ব।

শিৱসাগৰ, তেজপুৰ, গোলাঘাট, বৰপেটা, শিলচৰ আৰু সোণকুছিত প্ৰতিযোগিতাৰ এই পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব।

প্ৰতিটো ক্লাষ্টাৰৰ পৰা দুটাকৈ দলে চূড়ান্ত ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিব। অৰ্থাৎ, ছটা ক্লাষ্টাৰৰ পৰা মুঠ ১২টা দলে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত ৰাউণ্ডত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব।

প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ড ২০ নৱেম্বৰৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। ক্লাষ্টাৰ পৰ্যায়ৰ খেলসমূহৰ জৱিয়তে

চূড়ান্ত পর্যায়ত অংশগ্রহণ কৰিবলগীয়া দলসমূহ নির্বাচন কৰা হ'ব।

অসমৰ ফুটবল ইতিহাসৰ সৈতে গভীৰভাৱে জড়িত বৰদলৈ ট্ৰফীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ফুটবল দলসমূহক প্ৰতিভা প্ৰদৰ্শনৰ এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাতো ছটা স্থানত অনুষ্ঠিত হ'বলগীয়া ক্লাষ্টাৰ ৰাউণ্ডৰ খেলসমূহক লৈ ফুটবলপ্ৰেমীৰ মাজত উৎসাহ সৃষ্টি হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2096/bardoloi-trophy-cluster-round-assam